[illegible]ৰ ব্যঞ্জন ধ্বনিবোৰক উচ্চাৰণৰ স্থান অনুসৰি তলত দিয়া ধৰণে ভাগ কৰিব পাৰি।
ওঁঠ দুটাৰ সহায়ত উচ্চাৰিত ধ্বনিক ঔষ্ঠ্যধ্বনি বোলে; যেনে, অসমীয়াৰ প, ব। তলৰ ওঁঠ আৰু ওপৰ পাৰি দাঁতৰ সংযোগত উচ্চাৰিত ধ্বনি দন্তৌষ্ঠ্য; যেনে— ইংৰাজীৰ f, v। জিভাৰ আগটো দুই পাৰি দাঁতৰ মাজত লাগি উচ্চাৰিত হোৱা ধ্বনি হ'ল দন্ত্য ধ্বনি। যেনে — সংস্কৃতৰ ত, দ। জিভাৰ আগটো পিছৰ পিনে ঘূৰাই কৰা ধ্বনি মূৰ্ধন্য ধ্বনি; যেনে— সংস্কৃতৰ ট, ড। জিভাৰ আগটো দাঁতৰ গুৰিত লাগি উচ্চাৰিত হোৱা ধ্বনিক দন্ত্যমূলীয় ধ্বনি বোলা হয়। যেনে— অসমীয়াৰ ত, দ, ট, ড। জিভাৰ আগ-ভাগ আৰু কঠিন তালুৰ সংযোগত হোৱা ধ্বনি তালব্য ধ্বনি; যেনে— সংস্কৃতৰ চ,জ। জিভাৰ পিছফাল আৰু কোমল তালুৰ সংযোগত হোৱা ধ্বনি পশ্চ তালব্য ধ্বনি; যেনে— অসমীয়াৰ ক, গ। আলজিভাৰ ওচৰৰ অংশৰ সহায়ত উচ্চাৰিত ধ্বনি কণ্ঠমূলীয়। যেনে— আৰবী ক। কণ্ঠতন্ত্ৰী বিবৰত উচ্চাৰিত ধ্বনিক কণ্ঠনালীয় বোলা হয়। যেনে— অসমীয়াৰ হ।

উচ্চাৰণৰ ধৰণ অনুসৰি ব্যঞ্জনধ্বনিক পাঁচোটা ভাগত ভাগ কৰা হয়। যেনে— মুখলৈ অহা বতাহক কোনো এঠাইত অলপ সময়ৰ কাৰণে সম্পূৰ্ণৰূপে বাধা দি হঠাৎ খুলি দিয়াৰ ফলত

বতাহখিনি এটা শব্দ কৰি ওলাই গৈ যিবোৰ ধ্বনি উচ্চাৰিত হয় সেইবোৰক স্পৰ্শ ধ্বনি বোলে। যেনে— অসমীয়াৰ প, ব, ত, দ, ক, গ।

মুখৰে অহা বতাহক মুখৰ কোনো এঠাইত সম্পূৰ্ণ ৰূপে বাধা দি কোমল তালুখন নমাই ৰাখি নাকেদি বতাহখিনি যাবলৈ দিয়াত যি ধ্বনিৰ সৃষ্টি হয় সেয়া হ'ল নাসিক্য ধ্বনি। যেনে— অসমীয়াৰ ম, ন, ঙ। সেইদৰে মুখৰ মাজত বতাহক বাধা দি বতাহখিনি জিভাৰ একাষ বা দুই কাষেদি যাবলৈ দিলে যি ধ্বনিৰ সৃষ্টি হয় সেয়া হ'ল পাৰ্শ্বিক ধ্বনি। যেনে— অসমীয়াৰ ল। জিভাৰ আগটো কঁপি কঁপি দাঁতৰ আলুৰ ওচৰত যি ধ্বনি উচ্চাৰিত হয় সেয়া কম্পিত ধ্বনি; যেনে— অসমীয়াৰ ৰ। মুখৰ পৰা ওলাই অহা বতাহ কোনো এঠাইত ঘঁহনি খাই উচ্চাৰিত হোৱা ধ্বনিৰ নাম উষ্ম ধ্বনি। যেনে— অসমীয়াৰ স, চ, জ।

আনহাতে উচ্চাৰিত ধ্বনিবোৰৰ কিছুমান ঘোষ আৰু কিছুমান অঘোষ। যি ধ্বনি উচ্চাৰণ কৰোঁতে ঘটিকাৰ ভিতৰত থকা স্বৰতন্ত্ৰীৰ (Vocal Chord) কম্পন উঠে তাক ঘোষ ধ্বনি আৰু যি ধ্বনি উচ্চাৰণ কৰোঁতে স্বৰতন্ত্ৰীৰ কম্পন নুঠে তাক অঘোষ ধ্বনি বোলে। স্বৰধ্বনিবোৰ ঘোষ ধ্বনি আৰু ব্যঞ্জনধ্বনিবোৰ ঘোষ আৰু অঘোষ দুয়ো প্ৰকাৰৰ হ'ব পাৰে। ব্যঞ্জনধ্বনিৰ ক্ষেত্ৰত আন এটা মন কৰিবলগীয়া ধ্বনিগুণ হ'ল অল্পপ্ৰাণতা আৰু মহাপ্ৰাণতা। শ্বাসযুক্ত বায়ুপ্ৰবাহেৰে উচ্চাৰণ কৰা ধ্বনিক মহাপ্ৰাণ ধ্বনি বুলি কোৱা হয়। কিন্তু শ্বাসহীন অৰ্থাৎ যি ধ্বনি উচ্চাৰণ কৰিলে বায়ুপ্ৰবাহে ঘটিকাৰ স্বৰতন্ত্ৰীত ঘৰ্ষণৰ সৃষ্টি নকৰে তাক অল্পপ্ৰাণ ধ্বনি বোলে। ব্যঞ্জনধ্বনিৰ স্পৰ্শ ধ্বনিৰ অন্তৰ্গত প, ব, ত, দ, ক, গ হ'ল অল্পপ্ৰাণ ধ্বনি আৰু ফ, ভ, থ, ধ, খ, ঘ হ'ল মহাপ্ৰাণ ধ্বনি। উদাহৰণস্বৰূপে অসমীয়া ভাষাৰ ব্যঞ্জনধ্বনিৰ তালিকাখন তলত দাঙি ধৰা হ'ল—

**তালিকা ৪.২ ঃ অসমীয়া ভাষাৰ ব্যঞ্জনধ্বনিৰ তালিকা**

| | | ওষ্ঠ্য | দন্তমূলীয় | পশ্চ তালব্য | কণ্ঠনালীয় |
|---|---|---|---|---|---|
| স্পৰ্শ | অল্পপ্ৰাণ | প ব | ত দ | ক গ | |
| | মহাপ্ৰাণ | ফ ভ | থ ধ | খ ঘ | |
| নাসিক্য | | ম | ন | ঙ | |
| পাৰ্শ্বিক | | | ল | | |
| কম্পিত | | | ৰ | | |
| উষ্ম | | | চ জ | স | হ |

এই ২১ টা ব্যঞ্জনধ্বনিৰ উপৰি অসমীয়াত য় আৰু ৱ নামেৰে দুটা শ্ৰুতিধ্বনিও পোৱা যায়। দুটা স্বৰধ্বনি ওচৰা-উচৰিকৈ উচ্চাৰণ কৰোঁতে তাৰ মাজত হঠাৎ এটা নতুন ধ্বনি উচ্চাৰিত হোৱাকে শ্ৰুতিধ্বনি বোলে।

ধ্বনিতত্ত্বত বৰ্ণ আৰু উপধ্বনিৰ বিষয়েও আলোচনা কৰা হয়। মানুহে কথা-বতৰা কওঁতে বহুতো ধ্বনিৰ উচ্চাৰণ কৰে। অথচ এই সকলোবোৰ ধ্বনিৰ উচ্চাৰণৰ পাৰ্থক্য বক্তা আৰু শ্ৰোতাৰ